**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2024 **Time** : 0755 Hrs

***Assamese Morning Bulletin***

অসম মন্ত্ৰীসভাই অনিয়ন্ত্ৰিত জমা ধন আৰু অবৈধ ট্ৰেডিং কেলেংকাৰী সংক্ৰান্তত ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা সকলো গোচৰৰ তদন্তৰ ভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাই লগতে গৃহ আৰু বিত্ত বিভাগক ভৱিষ্যতে এনে ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ উদ্দেশ্যে যুটীয়াভাৱে নীতি-নিৰ্দেশনা যুগুতাই উলিয়াবলৈ নিৰ্দেশ দিছে। অলপতে অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত কেইবাখনো এজাহাৰ ৰুজু হৈছে আৰু বিষয়টো লৈ ৰাজ্যৰ বিভিন্ন স্থানত জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰিছে। বৰ্তমানলৈকে এই কেলেংকাৰী সংক্ৰান্তত ৬১ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ২২ জন লোকৰ বিৰুদ্ধে লুক আউট জাননী জাৰী কৰা হৈছে। ইয়াৰ উপৰি এনে ঘটনাৰ তদন্তৰ বাবে ১৪টা বিশেষ তদন্ত দল গঠন কৰা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যখনত ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড, ছেবি অথবা ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ নীতি নিৰ্দেশনা পালন নকৰাকৈ কেইবাটাও ট্ৰেডিং কোম্পানীয়ে কাম-কাজ চলাই আছে আৰু ইয়াৰ ফলত বিনিয়োগকাৰীসকল লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰৱঞ্চক অনলাইন কোম্পানীসমূহে দুমাহৰ ভিতৰত ৩০ শতাংশ মুনাফাৰ প্ৰতিশ্ৰুতিৰে ৰাজ্যৰ লগতে বাহিৰৰ বিনিয়োগকাৰীসকলকো প্ৰলোভিত কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, তিনিটা প্ৰৱঞ্চক কোম্পানীয়ে ১১ হাজাৰ কোটিৰো অধিক টকা লুণ্ঠন কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভুৱা অনলাইন ট্ৰেডিং কোম্পানীৰ জৰিয়তে ষ্টক বজাৰত বিনিয়োগ নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

সমগ্ৰ দেশতে আজি হিন্দী দিৱস পালন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ ৰাজভাষা হিচাপে গ্ৰহণ কৰিছিল। সম্প্ৰতি হিন্দী বিশ্বৰ বহুলভাৱে প্ৰচলিত ভাষাসমূহৰ অন্যতম আৰু ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাজভাষাৰ হীৰক জয়ন্তী সমাৰোহ আৰু চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত সম্বোধন কৰিব। ৰাজভাষা বিভাগে হিন্দী ভাষা ৰাজভাষা হিচাপে স্বীকৃতি পোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰিছে।

০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি কৃষিভিত্তিক উৎসৱ কৰম পৰ্ব্ব পালন কৰিব। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই পৰ্ব্বে সকলোৰে জীৱন সুখ-সমৃদ্ধি আৰু আনন্দৰে পৰিপূৰ্ণ কৰি তুলিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। প্ৰকৃতিৰ সৈতে নিবিড় সম্পৰ্ক থকা এই উৎসৱত চাহ জনগোষ্ঠীৰ লোকসকলে ঝুমুৰ নৃত্য-গীত গাই ৰং-ৰহইচ আৰু গছ পূজাৰ লগতে শস্য-পথাৰ সেউজীয়া হোৱাৰ মানসেৰে পূজা-পাতল কৰে।

০০০০০

'ধ্বনি' লোককৃষ্টি সমাজৰ উদ্যোগত কালি ঢেকীয়াজুলি নগৰৰ বিহু ভৱনত লোকনায়ক অমিয় কুমাৰ দাসৰ জীৱনৰ আধাৰত প্ৰস্তুত কৰা এখন তথ্যচিত্ৰ উন্মোচন কৰা হয়। তথ্যচিত্ৰখনৰ জৰিয়তে দেশ আৰু ঢেকিয়াজুলিৰ প্ৰতি স্বাধীনতা সংগ্ৰামী, ৰাজনৈতিক নেতা অমিয় কুমাৰ দাসৰ অৱদানৰ বিবৰণ দাঙি ধৰা হৈছে। উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে সমাজ সংস্কাৰক আৰু সংগঠক ৰমেশ বৰুৱাই ভাষণ আগবঢ়ায়। অনুষ্ঠানত ডঃ শুকদেৱ অধিকাৰী, ডঃ হৰিপ্ৰসাদ বৰুৱা, পল্লবী বৰুৱা, নৰেন হালৈ আৰু ঈশ্বৰ গোপালকৃষ্ণ ৰাভা আদিকে ধৰি গণ্যমান্য বহুতো লোক উপস্থিত থাকে। তথ্যচিত্ৰখনৰ মূল উদ্যোক্তা আছিল মুনীন্দ্ৰ নীল ডেকা, মানস জ্যোতি নাথ, হিৰণ্য বৰা, প্ৰমোদ ভূমিজ, অজয় দাস আৰু ৰূপক ভূঞা।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উপ প্ৰৱন্ধক বৈশালী তালুকদাৰ আৰু সহকাৰী প্ৰৱন্ধক বিনয় নাথ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি কথা পাতিব পাৰিব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বিশ্বনাথ, ডিব্ৰুগড় আৰু ধেমাজি জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

ooooooo

সমাপ্ত